nidm
Resilient India - Disaster free India

Assam State Disaster Management Authority

unicef
for every child

# ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠান (এনআইডিএম)

# যোগাযোগ সামগ্ৰী

## (পথ প্ৰদৰ্শক)







# NiDRR

NATIONAL DISASTER RISK REDUCTION
COMMUNICATION TOOLKIT

# সূচীপত্ৰ


০৩ | উদ্দেশ্য

০৩ | টুলকিটটো কিয়

০৪ | টুলকিটৰ বিষয়ে

০৪ | অভিযানৰ ডিজাইন

০৫ | কেনেকৈ এটা সৃষ্টিশীল/ডিজিটেল নিৰ্দেশনা সঁজুলি চিনাক্ত কৰিব পাৰি

০৭ | কেনেকৈ সামগ্ৰী ব্যৱহাৰ কৰিব পাৰি

০৭ | যোগাযোগ সামগ্ৰী ব্যৱহাৰ কৰি: এটা অভিযানৰ ৰূপৰেখা তৈয়াৰ কৰি



# উদ্দেশ্য

এই যোগাযোগ সামগ্ৰীৰ পথ প্ৰদৰ্শক মূল উদ্দেশ্য হৈছে:

**০১** মূল বাৰ্তা আৰু বিষয়বস্তু ধৰি এনআইডিএম যোগাযোগ সঁজুলিৰ সৈতে সুপৰিচিত হোৱা;

**০২** সকলো ৰাজ্য আৰু বিভিন্ন স্তৰত [ৰাজ্য/জিলা/ব্লক/গাওঁ পঞ্চায়ত (জিপি)] ব্যৱহাৰৰ বাবে যোগাযোগ সামগ্ৰীসমূহ প্ৰাসংগিক কৰি সহজসাধ্য কৰা;

**০৩** অনুকূল উন্মোচনৰ বাবে সামগ্ৰীসমূহৰ স্থান আৰু প্ৰদৰ্শন বিকল্পসমূহৰ ওপৰত পৰামৰ্শ প্ৰদান কৰা;

**০৪** তথ্য, শিক্ষা আৰু যোগাযোগ (আইইচি) সামগ্ৰী ব্যৱহাৰ কৰিবলৈ সাধাৰণ যোগাযোগ মঞ্চৰ বিষয়ে আলোচনা কৰা;

**০৫** পাৰস্পৰিক যোগাযোগ, গোটৰ সভা, আৰু অন্যান্য যোগাযোগ মঞ্চত সামগ্ৰীসমূহ কেনেকৈ ব্যৱহাৰ কৰিব লাগে সেই বিষয়ে ব্যাখ্যা কৰা.

# টুলকিটটো কিয় ?

দুৰ্যোগৰ সময়ত শুদ্ধ আৰু সময়োপযোগী বাৰ্তাই জীৱন, সম্পত্তি ৰক্ষা কৰিব পাৰে, আৰু মানৱীয় খয়-ক্ষতি হ্ৰাস কৰিব পাৰে। এনআইডিএম-এ ৰাষ্ট্ৰসংঘৰ শিশু পুঁজি (ইউনিচেফ)ৰ পৰা কাৰিকৰী সহায় লৈ এনে এক শৃংখলাবদ্ধ যোগাযোগ সামগ্ৰী প্ৰস্তুত কৰিছে যিয়ে দুৰ্যোগৰ আশংকা হ্ৰাস (ডি.আৰ.আৰ)ৰ বাবে যোগাযোগক অধিক ফলপ্ৰসূ কৰি তুলিব পাৰে।

যোগাযোগ সামগ্ৰীসমূহ সৃষ্টিশীল বা ডিজিটেল পথ প্ৰদৰ্শক দৰে ব্যৱহাৰ কৰাৰ বাবে বহুধৰণৰ সুবিধা আছে:

- **তথ্যক আকৰ্ষণীয় কৰি তোলক:** যোগাযোগ সামগ্ৰীয়ে তথ্যক আকৰ্ষণীয় কৰি তোলে আৰু দৃষ্টি আকৰ্ষণ কৰে। তথ্যসমূহ আকৰ্ষণীয়ভাৱে উপস্থাপন কৰা হয়।
- **বাৰ্তাসমূহ মনত পেলোৱাত সহায়:** যোগাযোগ সামগ্ৰীয়ে কেৱল দৃশ্যগত আবেদন যোগ কৰাই নহয়, যেতিয়া বাৰ্তাসমূহ শুনা, পঢ়া, দেখাৰ দৰে একাধিক ইন্দ্ৰিয়ৰ জৰিয়তে গ্ৰহণ কৰা হয়, তেতিয়া ইয়াক মনত পেলোৱাত সুবিধা হয়।
- **ভিজুৱেলচবোৱে সাক্ষৰতাৰ বাধাসমূহ অতিক্ৰম কৰিব পাৰে:** সৃষ্টিশীল বস্তুবোৰ অধিক চিত্ৰণৰ সৈতে বিকশিত কৰা হৈছে যাতে ইয়াক কম সাক্ষৰ দৰ্শকৰ ব্যৱহাৰৰ বাবে উপযুক্ত হৈ পৰে। সকলো সামগ্ৰীয়েই মহিলা, শিশু, বিশেষভাৱে সক্ষম ব্যক্তি (পিডব্লিউডি), জ্যেষ্ঠ নাগৰিক আদিৰ বাবে বাৰ্তা নিশ্চিত কৰিয়ে প্ৰস্তুত কৰা হৈছে।
- **মানুহৰ নিজৰ সময় আৰু স্থানতে পোৱা:** তথ্য মানুহৰ নিজৰ সময় আৰু তেওঁলোকৰ নিজৰ স্থানৰ ভিতৰত গৈ পায়।
- **মানুহক শক্তিশালী কৰা:** যোগাযোগ সামগ্ৰীৰ ভিতৰত গৈ পায়। লাভ কৰা তথ্যই মানুহক ব্যক্তিগত আৰু সামূহিক দুয়োটা দিশতে পদক্ষেপ ল'বলৈ শক্তিশালী কৰে।
- **যোগাযোগৰ ঠেলা:** সময়োপযোগী প্ৰদান কৰা বাৰ্তাই মানুহক সোঁৱৰাই দিয়াত সহায় কৰে আৰু আচৰণ পৰিৱৰ্তনৰ বাবে ঠেলা হিচাপে কাম কৰে। যেতিয়া বাৰ্তাসমূহৰ ৩৬০ ডিগ্ৰীৰ উপস্থিতি থাকে, তেতিয়া ই মানুহক কোনো এটা নিৰ্দিষ্ট আচৰণৰ বাবে কাম কৰিবলৈ যোগাযোগৰ ঠেলা হিচাপে কাম কৰে।

# টুলকিটৰ বিষয়ে

টুলকিট তিনিটা ভাগত গঠিত।

**সেৱা প্ৰদানকাৰীৰ বাবে চেকলিষ্ট:** ব্যৱহাৰ কৰিবলৈ সহজ চেকলিষ্ট যিয়ে সেৱা প্ৰদানকাৰীসকলক ডি.আৰ.আৰ যোগাযোগ পৰিকল্পনা, প্ৰণয়ন, আৰু নিৰীক্ষণ কৰাত সহায় কৰে।

**প্ৰচাৰপত্ৰ:** প্ৰতিটো দুৰ্যোগৰ (বানপানী, ভূমিকম্প, জনস্বাস্থ্যৰ জৰুৰীকালীন অৱস্থা, ঘূৰ্ণীবতাহ) বাবে এটাকৈ প্ৰচাৰপত্ৰ প্ৰস্তুত কৰা হয়। ব্যক্তি আৰু পৰিয়ালসমূহে আৰু লগতে সমূহীয়াভাৱে সৰ্বসাধাৰণ ৰাইজৰ দ্বাৰা বা সৰ্বসাধাৰণ ৰাইজৰ বাবে সেৱা প্ৰদানকাৰীসকলে ল'বলগীয়া পদক্ষেপসমূহ প্ৰচাৰপত্ৰ তালিকাবুক্ত কৰা। এইবোৰ হৈছে সাধাৰণ কৰিবলগীয়া কামৰ তালিকা যিয়ে দুৰ্যোগৰ সময়, আৰু দুৰ্যোগৰ পিছৰ পৰ্যায় সামৰি পৰিকল্পনা প্ৰস্তুত কৰে। এই প্ৰচাৰপত্ৰ সৰ্বসাধাৰণ ৰাইজৰ লগতে সেৱা প্ৰদানকাৰীসকলেও ব্যৱহাৰ কৰিব পাৰে।

**সৃষ্টিশীল পষ্ট:** প্ৰতিটো দুৰ্যোগৰ (বানপানী, ভূমিকম্প, জনস্বাস্থ্য জৰুৰীকালীন অৱস্থা, ঘূৰ্ণীবতাহ) বাবে ১৪ টা সৃষ্টিশীল প্ৰচাৰ পত্ৰিকা দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে পাঁচ টা বিষয়, যেনে, শিশু সুৰক্ষা, শিক্ষা, স্বাস্থ্য, পুষ্টি, আৰু ডব্লিউ.এ.এছ.এচ (পানী, অনাময় আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা) বাৰ্তাসমূহ সামৰি লয়। ক্ৰিয়েটিভবোৰ প্ৰচাৰ পত্ৰিকা হিচাপে ছপা কৰিব পাৰি বা এটা ডিজিটেল সংস্কৰণ উপলব্ধ যিটো অনলাইন/ডিজিটেল বাৰ্তা প্ৰেৰণৰ বাবে ব্যৱহাৰ কৰিব পাৰি।

# অভিযানৰ ৰূপৰেখা

## ব্ৰেন্ডিং

যোগাযোগ সামগ্ৰীৰ শৃংখলাটোক এনআইডিআৰআৰ হিচাপে ব্ৰেণ্ড **কৰা হৈছে-ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি আৰু পুনৰুদ্ধাৰৰ সংক্ষিপ্ত ৰূপ।** ই *"নিদৰ"* (নিৰ্ভীক) শব্দটোৰ এটা ৰূপান্তৰ। পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ আৰু ইয়াক অতিক্ৰম কৰিবলৈ কঠিন সময়ত "নিদৰ" (নিৰ্ভীক) হোৱাটো প্ৰয়োজন। দুৰ্যোগৰ সময়ত যদি কোনো ব্যক্তিয়ে সুৰক্ষাৰ প্ৰট'কল মানি চলে তেন্তে তেওঁ নিজৰ জীৱন ৰক্ষা কৰাই নহয় আনকো সুৰক্ষা দিবলৈ সক্ষম হ'ব।

ফ্ৰন্টলাইন কৰ্মী/স্বেচ্ছাসেৱকসকলক 'এন.আই.ডি.আৰ.আৰ মিত্ৰ' বুলি ক'ব পাৰি, যিয়ে নিৰ্ভীক হোৱাৰ উদাহৰণ দাঙি ধৰি, জীয়াই থকাৰ সহজ পদক্ষেপ অনুসৰণ কৰি দুৰ্যোগৰ সৈতে মোকাবিলা কৰিবলৈ সক্ষম। তেওঁলোক এটা কঠিন কামৰ বাবে স্বেচ্ছাসেৱী হ'বলৈও সাজু হৈ থাকে আৰু মানুহৰ ওচৰলৈ গৈ প্ৰয়োজনৰ সময়ত সহায় কৰিবলৈ সাজু থাকে। 'এন.আই.ডি.আৰ.আৰ মিত্ৰ'ই দুৰ্যোগৰ সময়ত শান্তি বজাই ৰখাৰ ধাৰণাটোৰে বাবে যোগাযোগ কৰিব আৰু আৰ্তজনক সহায় কৰিবলৈ মানুহক প্ৰেৰণা যোগাব। 'এন.আই.ডি.আৰ.আৰ মিত্ৰ'ই কেৱল দুৰ্যোগৰ সময়ত কাম কৰাই নহয়, প্ৰস্তুতিৰ পৰ্যায়তো সহায় কৰে।



## পদ্ধতি

যোগাযোগ সামগ্ৰীত কমিক-ষ্ট্ৰিপ পদ্ধতি ব্যৱহাৰ কৰা হয়। ব্যংগ চৰিত্ৰৰ ব্যৱহাৰ আৰু কমিক ষ্ট্ৰিপৰ সামগ্ৰিক ৰূপটোৱে অভিযানত স্থিৰতা সৃষ্টি কৰে। ষ্ট্ৰিপ আৰু চিত্ৰকল্পৰ চৰিত্ৰসমূহ এনেদৰে ডিজাইন কৰা হৈছে যাতে বৈশিষ্ট্য আৰু কাপোৰৰ আঞ্চলিক পাৰ্থক্যসমূহ দূৰ কৰিব পৰা যায়, যাৰ ফলত সমগ্ৰ ৰাস্ট্ৰৰ মানুহৰ সৈতে উন্নত সংযোগ সম্ভৱ হয়। ই সহজেই ভাৱ-বিনিময় সজীৱ কৰি তোলে আৰু দৃষ্টি আকৰ্ষণ কৰে।

### অভিযানৰ মূল মাসকট হ'ল:

**অভয়**
২৫-৩০ বছৰ বয়সৰ এজন নিৰ্ভীক যুৱক




**অনিকা**
৩০-৩৫ বছৰ বয়সৰ এগৰাকী পৰিপক্ক, দায়িত্বশীল আৰু কৰ্মমূখী মহিলা

কমলা ৰঙৰ জৰুৰীকালীন জেকেট পিন্ধি তেওঁলোকে একেলগে লিংগ সমতাৰ সৈতে আধুনিক আৰু নতুন ৰূপ এটা প্ৰক্ষেপ কৰি লিংগ মূলসুঁতিলৈ অনা ভূমিকাত এগৰাকী মহিলাক দেখুৱাইছে।

# সৃষ্টিশীল / ডিজিটেল নিৰ্দেশনা সঁজুলি কেনেকৈ চিনাক্ত কৰিব পাৰি

**দুৰ্যোগ:** ওপৰৰ সোঁফালৰ চুকত প্ৰতিটো ক্ৰিয়েটিভে দুৰ্যোগটোক তলত দেখুওৱাৰ দৰে এটি চিত্ৰণ কঢ়িয়াই লৈ ফুৰে।




যোগাযোগ সামগ্ৰীৰ ৰং গাঢ় বেঙুনীয়া। পটভূমিত দেখা গৈছে ঘূৰ্ণীবতাহৰ সৈতে এজোপা উভালি পৰা গছ আৰু বতাহত উৰি থকা কিছু কাপোৰ।

অগ্ৰভূমিত অনিকাই এগৰাকী মহিলা আৰু শিশু সহায় কৰা আৰু অভয়ক এটা শিশু কঢ়িয়াই নিয়া দেখুওৱা হৈছে। অনিকা আৰু অভয় দুয়োকে তেওঁলোকৰ জৰুৰীকালীন জেকেটত 'এন.আই.ডি.আৰ.আৰ মিত্ৰ' ব্ৰেণ্ডিং থকা টুপী পিন্ধি থকা দেখা গৈছে।




ভূমিকম্পৰ পৃষ্ঠভূমি গাঢ় ৰঙা। ইয়াত ভঙা অট্টালিকা, দুৱাৰ আৰু উভালি পেলোৱা বিদ্যুতৰ খুঁটা দেখা গৈছে।

অগ্ৰভূমিত অনিকা আৰু অভয়ে ধ্বংসাৱশেষৰ তলত ধৰা পৰা এজন লোকক উদ্ধাৰ কৰা দেখা গৈছে। অনিকা আৰু অভয় দুয়োকে জৰুৰীকালীন জেকেটত নাম লিখা 'এন.আই.ডি.আৰ.আৰ মিত্ৰ' ব্ৰেণ্ডিং থকা টুপী পিন্ধা দেখা গৈছে।




বানপানীৰ বাবে সৃষ্টিশীলসকলৰ পটভূমি গাঢ় নীলা। ইয়াৰ আগফালে বানপানীৰ মাজেৰে যোৱা উদ্ধাৰ নাও এখন দেখা গৈছে।

অনিকা আৰু অভয় দুয়োজনে উদ্ধাৰ নাওত উঠি মাতৃ, কন্যা আৰু পুত্ৰৰ পৰিয়াল এটাক উদ্ধাৰ কৰি আছে। অনিকা আৰু অভয় দুয়োকে জৰুৰীকালীন জেকেটত নাম লিখা 'এন.আই.ডি.আৰ.আৰ মিত্ৰ' ব্ৰেণ্ডিং থকা টুপী পিন্ধা দেখা গৈছে।

**ক্ৰিয়েটিভসমূহত ব্যৱহৃত খণ্ডগত আইকনসমূহ ইয়াত দেখুওৱা হৈছে। ক্ৰিয়েটিভৰ মাজত স্থাপন কৰা আইকনৰ সহায়ত এই ক্ৰিয়েটিভসমূহ সহজে চিনাক্ত কৰিব পৰা যায়।**




এই চিত্ৰণ আৰু আইকনসমূহে যোগাযোগ সামগ্ৰীসমূহ সহজে চিনাক্ত কৰাত সহায় কৰে।

# সামগ্ৰীসমূহ কেনেকৈ ব্যৱহাৰ কৰিব লাগে


ডি.আৰ.আৰ বাবে সামাজিক আৰু আচৰণ পৰিৱৰ্তনৰ বাবে সৰ্বসাধাৰণ ৰাইজ জড়িত থকাৰ প্ৰয়োজন – সৰ্বসাধাৰণ ৰাইজ আৰু সেৱা প্ৰদানকাৰী/“আপদা” দলসমূহে যৌথভাৱে দায়িত্ব ভগাই লোৱা দৰকাৰ। যোগাযোগ সামগ্ৰীয়ে যোগাযোগক শক্তিশালী কৰে আৰু এটা ’কাৰ্যৰ আহ্বান’ক প্ৰসাৰিত কৰাত সহায় কৰে। এটো গুৰুত্বপূৰ্ণ যে দৰে আই.ই.চি সামগ্ৰীৰ জৰিয়তে প্ৰেৰণ কৰা বাৰ্তাসমূহ চিনাক্তকৰণযোগ্য হয় আৰু দৰ্শকৰ সামাজিক-সাংস্কৃতিক প্ৰেক্ষাপট আৰু তথ্য ব্যৱহাৰৰ পছন্দৰ প্ৰতি সংবেদনশীল হয়।

গতিকে, এই ক্ৰিয়েটিভবোৰ ব্যৱহাৰ কৰাৰ সময়ত আই.ই.চি সামগ্ৰীসমূহক প্ৰসংগভিত্তিক কৰাটো এটা গুৰুত্বপূৰ্ণ দিশ। এই ক্ৰিয়েটিভবোৰ প্ৰাসংগিক কৰি ৰখাটো সহজ কাৰণ চিত্ৰণসমূহৰ স্পষ্টভাৱে নিৰ্ধাৰিত বৈশিষ্ট্য নাই যিবোৰ দেশৰ যিকোনো এটা অংশৰ সৈতে জড়িত হ’ব পাৰে। কেৱল স্থানীয় প্ৰেক্ষাপটৰ লগত খাপ খুৱাই ভাষাটো সলনি কৰিব লাগিব। অনুবাদ কৰাৰ সময়ত চিত্ৰণসমূহৰ ক্ৰম সলনি কৰিবলৈ মনত ৰাখিব।

## প্ৰাসংগিককৰণ

উদাহৰণস্বৰূপে, হাত ধোৱাৰ গুৰুত্বপূৰ্ণ মানদণ্ড বৰ্ণনা কৰা হেণ্ডৱাশ্বিং ক্ৰিয়েটিভটোৱে ইয়াত দেখুওৱা হৈছে।

বাওঁফালৰ পৰা সোঁফাললৈ পঢ়া দৰ্শকৰ বাবে ই কেৱল (১) চাবোন আৰু পানী, (২) ঘঁহা আৰু ধোৱা আৰু (৩) ভালদৰে শুকুৱাই লোৱাৰ পদক্ষেপ বুজায়। কিন্তু যেতিয়া একেটা ক্ৰিয়েটিভ যিকোনো এটা ভাষাত অনুবাদ কৰা হ’ব যিটো সোঁফালৰ পৰা বাওঁফালে পঢ়া হয় (আৰবী, উৰ্দু, হিব্ৰু, পাৰ্চী আদি) তেতিয়া এটা বিপৰীত ক্ৰম ব্যক্ত কৰা হ’ব। এনে ক্ষেত্ৰত ছবিবোৰৰ ক্ৰম ওলোটা কৰাৰ প্ৰয়োজন হ’ব।



# যোগাযোগ সামগ্ৰী ব্যৱহাৰ কৰা: এটা অভিযানৰ ৰূপৰেখা তৈয়াৰ কৰা

| প্ৰকাৰ | সম্ভাব্য দৰ্শক | দুৰ্যোগৰ পৰ্যায় | বিশেষ মন্তব্য |
|---|---|---|---|
| হোৱাটছএপ (whatsapp) | সাধাৰণ/আৰ.ডব্লিউ.এ গোট/যুৱ গোট/ছাত্ৰগোট/আত্মসহায়ক গোট | সজাগতা, পৰিকল্পনা, নিৰীক্ষণ | |
| হোৱাটছএপ (whatsapp) | সাধাৰণ/আৰ.ডব্লিউ.এ গোট/যুৱ গোট/ছাত্ৰগোট/আত্মসহায়ক গোট | দুৰ্যোগৰ সময়ত শেহতীয়া খবৰ (আপডেট) আৰু উদ্ধাৰ | |
| হোৱাটছএপ (whatsapp) | সাধাৰণ/আৰ.ডব্লিউ.এ গোট/যুৱ গোট/ছাত্ৰগোট/আত্মসহায়ক গোট | দুৰ্যোগৰ পিছত পুনৰুদ্ধাৰ | |
| ফেচবুক প’ষ্ট (Facebook) | সাধাৰণ | সজাগতা, পৰিকল্পনা, | |
| ফেচবুক প’ষ্ট (Facebook) | আক্ৰান্ত দৰ্শক | সুৰক্ষাৰ নিৰ্দেশনা, য’ত সাহাৰ্য উপলব্ধ | |
| মাইকিং | সাধাৰণ | সজাগতা | |
| মাইকিং | আক্ৰান্ত জনসংখ্যা | দুৰ্যোগৰ সময়ত – নিৰাপদ আশ্ৰয় শিবিৰ | |
| জিফ | | | |
| মেমে | | | |
| ডিজিটেল ক্লিপবুক | | | |
| এ/ভি | | | |
| চিনেমা | | | |
| বাটৰ নাট | | | |
| দেৱাল লিখা | | | |
| আইপিচি | | | |